**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :26**-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতি সন্দৰ্ভত আজি ত্ৰিপাক্ষিক আলোচনা।

২। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে মাচুল বৃদ্ধিৰ প্ৰস্তাৱ নাই বুলি এ পি ডি চি এলৰ প্ৰকাশ।

৩। অসম গ্ৰন্থমেলাৰ আজি তৃতীয় দিনা 'ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ্য' শীৰ্ষক আলোচনাসত্ৰৰ আয়োজন।

৪। দেশৰ অন্য অংশৰ লগতে অসমতো আজি বীৰ বাল দিৱস পালন।

*আৰু*

৫। অস্মিতা পূব মণ্ডল জুনিয়ৰ হকী লীগ প্ৰতিযোগিতাত অসমৰ ছোৱালী দলৰ ব্ৰঞ্জৰ পদক অৰ্জন।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতি সন্দৰ্ভত আজি প্ৰতিবাদকাৰী, কাৰ্বি স্বায়ত্তশাসিত পৰিষদ আৰু ৰাজ্য চৰকাৰৰ মাজত ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হ'ব। দিছপুৰত মুখ্যমন্ত্ৰীৰ সৈতে হ'বলগীয়া এই বৈঠকত কাৰ্বি যুৱ নেতা লিটচন ৰংফাৰৰ নেতৃত্বত আন্দোলনকাৰী প্ৰতিনিধিবৰ্গ আৰু কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত থাকিব। বৈঠকত স্বায়ত্ত শাসিত পৰিষদৰ ২৬ টা সমষ্টিত একোজনকৈ প্ৰতিনিধিও উপস্থিত থাকিব। মুখ্য কাৰ্যবাহী সদস্য ৰংহাঙে কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে আলাপ-আলোচনাৰ মাজেৰে খেৰণিৰ সমস্যা সমাধানৰ চেষ্টা চলোৱা হ'ব। বৈঠকত কাৰ্বি পাহাৰৰ দুয়োখন জিলাৰ পিজিআৰ আৰু ভিজিআৰ ভূমিত বেদখল উচ্ছেদৰ ব্যৱস্থা আৰু পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হ'ব। আজিৰ আলোচনা সন্দৰ্ভত এয়া আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতা টুটু কোঁৱৰ –

বাইট

খেৰণিৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হৈছে। কালিৰ দিনটোত অঞ্চলটোত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই। সেনা-আৰক্ষীয়ে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। বিগত দিনকেইটাত সৃষ্টি হোৱা আতংকময় পৰিস্থিতিৰ পাছত অঞ্চলটোলৈ ক্ৰমাৎ শান্তি ঘূৰি আহিছে। পৰিস্থিতি কিছু স্বাভাৱিক হোৱাত সাধাৰণ জীৱনযাত্ৰা আৰম্ভ হৈছে। অঞ্চলটোৰ দুই-এখন ব্যৱসায়িক প্ৰতিষ্ঠানো খোলা পৰিলক্ষিত হৈছে।

০০০০০০

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড - এ পি ডি চি এলে ৰাজহ ব্যৱধান সত্বেও ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে মাচুল বৃদ্ধিৰ প্ৰস্তাৱ দিয়া নাই। এ পি ডি চি এলে ইয়াৰ মাচুল আবেদনত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে আনুমানিক ৰাজহ আৱশ্যকতা ১১ হাজাৰ ৭৪৭ কোটি টকা হ'ব বুলি আৰু এই সময়ছোৱাত বৰ্তমানৰ নিৰিখ অনুযায়ী আনুমানিক ১১ হাজাৰ ৭২৬ কোটি ৬০ লাখ টকাৰ ৰাজহ সংগ্ৰহ হ'ব বুলি প্ৰকাশ কৰিছে। ইয়াৰ ফলত ২০ কোটি ২১ লাখ টকাৰ

ব্যৱধান আহি পৰিব। অৱশ্যে কোম্পানীটোৱে এই ব্যৱধান পূৰণৰ বাবে গ্ৰাহকৰ ওপৰত বোজা জাপি দিব খোজা নাই আৰু মাচুল বৃদ্ধিৰ প্ৰস্তাৱ দিয়া নাই।

০০০০০০

অসম গ্ৰন্থমেলাৰ আজি তৃতীয় দিন। অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত পৰহিৰে পৰা অনুষ্ঠিত গ্ৰন্থমেলাত আজি দিনৰ আঢ়ৈ বজাত জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ্য শীৰ্ষক আলোচনাসত্ৰ অনুষ্ঠিত হ'ব। এই সত্ৰৰ আলোচ্য বিষয় – 'কবি, গীতিকাৰ কেশৱ মহন্তৰ গীত-কবিতাৰ মাধুৰ্য'। সাহিত্য সমালোচক তথা নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক অৰিন্দম বৰকটকীয়ে এই সত্ৰ সঞ্চালন কৰিব। কবি-সমালোচক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° এম কামালুদ্দিন আহমেদ আৰু লেখক, সমালোচক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° প্ৰাঞ্জল শৰ্মা বশিষ্ঠই অতিথি আলোচক হিচাপে অনুষ্ঠানত অংশ ল'ব। সন্ধিয়া পাঁচ বজাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

গ্ৰন্থমেলাত কালি দ্বিতীয় দিনা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষৰ লগত সংগতি ৰাখি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ অংশ হিচাপে জুবিন গাৰ্গ সোঁৱৰণী প্ৰেক্ষাগৃহত **ড° ভূপেন হাজৰিকাৰ গীতত সমকালীনতা** শীৰ্ষক আলোচনা সত্ৰ অনুষ্ঠিত হয়। সত্ৰখন সঞ্চালনা কৰি বিশিষ্ট সাহিত্যিক তথা অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই কয়, যে সমকালীনতাৰ খিড়িকীৰে ড° ভূপেন হাজৰিকাৰ গীতৰ চিৰায়ত বিষয়টো বিচাৰ কৰি চাব পাৰি। তেওঁৰ গীতত সমকালীন বিষয়বস্তু বা সামাজিক ঘটনাক্ৰম গভীৰভাৱে প্ৰোথিত হৈ আছে বুলি শ্ৰী চলিহাই মন্তব্য কৰে। তেওঁ কয়, যে সমকালীন প্ৰেক্ষাপটত ড° ভূপেন হাজৰিকাই অসমীয়া জাতিক শুনাই থৈ যোৱা সতৰ্কবাণী এতিয়া ফলিয়াইছে। ভূপেন হাজৰিকাক তেওঁ ভৱিষ্যদ্ৰষ্টা শিল্পী বুলি অভিহিত কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি সুধাকণ্ঠৰ সহযোগী বাদ্যশিল্পী কমল কটকীয়ে ড° ভূপেন হাজৰিকাৰ সৃষ্টিয়ে সময় ধৰি ৰাখিছে বুলি মন্তব্য কৰে। একেদৰে সংগীত শিল্পী ৰঞ্জন কুমাৰ বেজবৰুৱাই ড° ভূপেন হাজৰিকাক এগৰাকী দাৰ্শনিক বুলি অভিহিত কৰে।

০০০০০০

দেশৰ অন্য অংশৰ লগতে অসমতো আজি বীৰ বাল দিৱস পালন কৰা হৈছে। শিখ ধৰ্মগুৰু গুৰু গোবিন্দ সিঙৰ পুত্ৰ বাবা জোৰাৱৰ সিং আৰু বাবা ফটেহ সিঙৰ সাহসিকতা আৰু বলিদানৰ সন্মানাৰ্থে এই দিৱস পালন কৰা হয়।

হোজাই জিলাৰ লংকাত শিখ ধৰ্মীয় লোকসকলৰ বাবা ফতেহ সিং সেৱা দলৰ উদ্যোগত সপ্তাহজোৰা কাৰ্য্যসূচীৰে গুৰুকা লংগৰ অনুষ্ঠিত হৈছে। ইয়াৰে অংশ হিচাপে জিলাখনৰ শিখ ধৰ্মাৱলম্বী লোকসকলে কাইলৈ পৰ্যন্ত লংগৰৰ আয়োজন কৰিছে।

বীৰ বাল দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰিব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এইবেলি সাহসিকতা, ক্ৰীড়া আৰু সমাজ সেৱাৰ ক্ষেত্ৰত অসাধাৰণ সাফল্য অৰ্জন কৰা ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২০ টি শিশুক এই সন্মানৰ বাবে বাছনি কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বীৰ বাল দিৱসত ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানত শিশু আৰু যুৱকসকলক উদ্দেশ্যি ভাষণ দিব।

০০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ "অনাতাঁৰ মৰম পৰিয়ালে আগবঢ়োৱা শ্ৰোতা প্ৰেৰণা বঁটা-২০২৫" কালি আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰক প্ৰদান কৰা হয়। অনাতাঁৰ মৰম পৰিয়ালৰ  প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি মাজুলীৰ এলেঙ্গী শ্ৰী শ্ৰী টকৌবাৰী সত্ৰত কালি আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তেওঁক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে এখন প্ৰশস্তি পত্ৰ, ফলক, চেলেং চাদৰ, অসমীয়া আৰু মিছিং গামোচা, জাপি,  কিতাপৰ টোপোলা, গছপুলি আৰু এটা ৰেডিঅ' চে'ট। এই বঁটা গ্ৰহণ কৰি শ্ৰীবৰঠাকুৰে ভাৰতৰ বিভিন্ন স্থানত ভালে সংখ্যক প্ৰতিষ্ঠিত ৰেডিঅ' শ্ৰোতা সংঘ থকাৰ কৰা উল্লেখ কৰে। অনাতাঁৰ মৰম পৰিয়ালত থকা আন্তৰিকতা তথা সংগঠনটোৰ আদৰ্শ এই আটাইবোৰ শ্ৰোতা সংঘতকৈ পৃথক বুলি উল্লেখ কৰি শ্ৰীবৰঠাকুৰে অনাতাঁৰ সংবাদ প্ৰচাৰৰ জৰিয়তে শ্ৰোতাসকলক যদি কিঞ্চিতো অনুপ্ৰাণিত কৰিব পাৰিছে তেনেহ'লে তেওঁ কৃতাৰ্থ মানিছে বুলি মন্তব্য কৰে।

(byte- RLB)

২০১০ চনৰ ২৫ ডিচেম্বৰত মাজুলীৰ মূদৈবিল অঞ্চলত প্ৰতিষ্ঠা লাভ কৰা আৰু মূলতঃ ৰেডিঅ'ৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে কাম কৰি থকা অনাতাঁৰ মৰম পৰিয়ালটোৱে কালি বছৰটোৰ শ্ৰেষ্ঠ "অনাতাঁৰ শ্ৰোতা বন্ধু-২০২৫" বঁটা, দুজন বয়োজ্যেষ্ঠ শ্ৰোতা- ধেমাজি চিচি কেৰেকণি মাজগাঁৱৰ মহেশ্বৰ চুতীয়া আৰু তিনিচুকীয়া কাকপথাৰ ১নম্বৰ তেজী গাঁৱৰ দীপক মৰাণকো প্ৰদান কৰে।

চিৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পদুম মহন্তৰ সঞ্চালনাত অনুষ্ঠিত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই আকাশৱাণীৰ বিভিন্ন অনুষ্ঠানৰ বৈশিষ্ট ব্যাখা কৰাৰ লগতে আকাশৱাণীৰ সৈতে তেওঁৰ দীৰ্ঘদিনীয়া সম্পৰ্কৰ কথা উল্লেখ কৰে। অনুষ্ঠানটিত অসমৰ বিভিন্ন ঠাইৰ সদস্য সকলৰ লগতে অঞ্চলটিৰ স্থানীয় ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০

মৰিগাঁও জিলাৰ মায়ঙৰ পবিতৰা অভয়াৰণ্যত প্ৰথমবাৰৰ বাবে আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে হাদুগ মেলা, ২০২৫-ৰ আয়োজন কৰা হৈছে। মায়ঙৰ পবিতৰা অভয়াৰণ্যৰ পাৰিপাৰ্শ্বিকতা উন্নয়ন সমিতিসমূহৰ উদ্যোগত

হাদুগ বিলৰ পাৰত আয়োজিত এই মেলাৰ বাবে ইতিমধ্যে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। দিনৰ ১১ বজাত আমন্ত্ৰিত অতিথিৰ দ্বাৰা মেলাৰ বিপণীৰ দুৱাৰ মুকলি কৰা হ'ব। কাইলৈ পুৰা বস্ত্ৰ প্ৰদৰ্শনী আৰু থলুৱা খাদ্যৰ মেলা মুকলি কৰা হ'ব। সন্ধিয়া চাৰে পাঁচ বজাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ঐতিহাসিক মায়ঙৰ পৰম্পৰাগত ৰজা তৰণীকান্ত সিংহই এই সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব।

০০০০০০

অসমৰ ছোৱালী দলে অস্মিতা পূব মণ্ডল জুনিয়ৰ হকী লীগ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। অসমে কালি গুৱাহাটীৰ ভেটাপাৰাস্থিত মৌলানা মহম্মদ তৈয়বুল্লাহ হকী ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয় স্থান নিৰ্ধাৰণকাৰী খেলত ত্ৰিপুৰাক ১৬-০ গ'লত পৰাস্ত কৰে। ওড়িশাই মিজোৰামক ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰি প্ৰতিযোগিতাত স্বৰ্ণ পদক লাভ কৰে।

০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজত চলি থকা T-20 শৃংখলাৰ তৃতীয়খন খেল আজি থিৰুৱানন্তপূৰমৰ গ্ৰীণফিল্ড ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব। শৃংখলাত আয়োজক ভাৰতে ইতিমধ্যে ২-০ৰ অগ্ৰগতি লাভ কৰিছে । ভাৰতে আলহী দলটোক প্ৰথমখন খেলত ৮ উইকেটত আৰু দ্বিতীয়খনত ৭ উইকেটত পৰাস্ত কৰিছিল।

০০০০০০

## NPR /RNU (26-12-2025) MORN

বাংলাদেশত অব্যাহত থকা অশান্ত পৰিস্থিতি, পশ্চিম কাৰ্বি আংলং ক্ৰমাৎ স্বাভাৱিক অৱস্থালৈ ঘূৰি অহা, কেইবাখনো স্বায়ত্বশাসিত পৰিষদ মুৰব্বীৰ সৈতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বৈঠক, অসমত দ্বিতীয়টো বৃহৎ বিদ্যুৎ শক্তি সঞ্চালন গোট স্থাপনত কেন্দ্ৰই দিয়া অনুমোদনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ খবৰ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকত সমূহত প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

আৰ টি আইৰ তথ্যত পুনৰ উন্মোচিত চৰকাৰৰ ভেকোভাওনা, ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ কোনো প্ৰস্তাৱ নাই জনজাতীয় মন্ত্ৰালয়ত শিৰোনামেৰে এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলবাসীলৈ সুখবৰ কঢ়িয়াই কেন্দ্ৰই ৰাজ্যত দ্বিতীয়টো বৃহৎ বিদ্যুৎ শক্তি সঞ্চালন গোট স্থাপনত কেন্দ্ৰই অনুমোদন দিয়াৰ বাতৰি এটা অসমীয়া খবৰ কাকতে আজিৰ এটা মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। বজালীৰ সৰুপেটা চক্ৰৰ অন্তৰ্গত বৰনগৰত স্থাপন হ'বলগীয়া এই নতুন কেন্দ্ৰটো উত্তৰ-পূবৰ বিদ্যুৎ শক্তিৰ দিশত বিশেষ অৰিহণা যোগাব বুলি বাতৰিটোত আশা প্ৰকাশ কৰা হৈছে।

ইয়াৰে বাংলাদেশৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত একোটাকৈ বাতৰি নিয়মীয়া বাৰ্তা কাকতে **হিংসা জৰ্জৰ চুবুৰীয়া ৰাষ্ট্ৰত চৰম নিৰাপত্তা হীনতাত সংখ্যালঘু, বাংলাদেশত পুনৰ হিন্দু যুৱকক নৃশংস হত্যা,** দৈনিক অসম কাকতে **চোৰৰ অপবাদেৰে দলবদ্ধ প্ৰহাৰ কৰি হত্যা অমৃত মণ্ডলক, দীপু দাসৰ পাছত ঢাকাত সংঘটিত দ্বিতীয়টো নৃশংস ঘটনাই**

**কঁপাইছে হিন্দুসকলক** আৰু দৈনিক অগ্ৰদূত কাকতে **বাংলাদেশত আৰু এজন যুৱকক মৰিয়াই হত্যা, ঢাকাৰ সমীপতে সন্মুখতে পুনৰ নৃশংস কাণ্ড** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

পশ্চিম কাৰ্বি আংলঙৰ শেহতীয়া পৰিস্থিতিক লৈ দৈনিক জনমভূমি কাকতে **পৰিস্থিতি স্বাভাৱিক হ'লেও অব্যাহত চেপা উত্তেজনা শান্ত খেৰনিত চৌদিশে ধ্বংসস্তূপ** আৰু দি আছাম ট্ৰিবিউনে WEST KARBI ANGLONG LIMPING BACK TO NORMAL শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জনজাতিকৰণৰ বিষয়টোক লৈ কেইবাখনো স্বায়ত্বশাসিত পৰিষদ মুৰব্বীৰ সৈতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বৈঠক অনুষ্ঠিত হোৱাৰ বাতৰিটো আজি আমাৰ অসমকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

যোৰহাটৰ ৰজামৈদাম নিউ ক'লনীৰ নিবাসী বিশিষ্ট গীতিকাৰ, নাট্যকাৰ, অভিনেতা তথা নাট পৰিচালক অমৰ শৰ্মাৰ কালি এখন ব্যক্তিগত হাস্পতালত দেহাৱসান ঘটে। যোৰহাটৰ লগতে ৰাজ্যৰ নাট্য অভিনয় আৰু নাট্য সাহিত্যৰ ক্ষেত্ৰখনত যথেষ্ট অৰিহণা আগবঢ়াই যোৱা শিল্পীগৰাকীৰ বিয়োগত বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰিছে। বিশিষ্ট নাট্যকাৰগৰাকীক কালি যোৰহাট থিয়েটাৰ, যোৰহাট পূজা মন্দিৰ, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় আদি কেইবাটাও সামাজিক অনুস্থানৰ পৰা শেষ শ্ৰদ্ধা জনোৱাৰ অন্তত গড়মূৰ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মেঘালয়, মিজোৰাম আৰু মণিপুৰত পাতলীয়া বৰষুণৰ লগতে ডাঠ কুঁৱলীয়ে আৱৰি থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত